# ৰূপালী জয়ন্তী বৰ্ষ

# স্মৃতিগ্ৰন্থ



ডাকুৰাপাৰা শাৰদীয় দুৰ্গোৎসৱ সমিতি

১৯-২৩ অক্টোবৰ, ২০১৫ চন

# সূচী


| | | |
|---|---|---|
| ● সম্পাদকীয় | নীলমণি উপধ্যায় | ৫ |
| ● ডাকুৱাপাৰা দুৰ্গোৎসৱ কেতিয়া আৰু কেনেকৈ আৰম্ভ তাৰেই দুআষাৰ | প্ৰবীন তালুকদাৰ | ৭ |
| ● দশভূজা দেৱীৰ মাহাত্ম্য আৰু ভক্তিপূজা | ড° গণেশ্বৰ চহৰীয়া | ১০ |
| ● দেৱী দুৰ্গাৰ অৰ্চনা আৰু ডাকুৱাপাৰাবাসী | শৈলেশ কুমাৰ ৰাভা | ১৪ |
| ● ডাকুৱাপাৰা দুৰ্গাপূজাৰ জন্মলগ্নৰ স্মৃতি গাঁথা | অভিজিত কুমাৰ নাগ | ১৮ |
| ● শাৰদীয় দুৰ্গোৎসৱ আৰু ইয়াৰ আধ্যাত্মিক গুৰুত্ব | লক্ষী কান্ত শৰ্মা | ১৯ |
| ● জনমানসত দেৱী দুৰ্গা | বিজয়া ডেকা | ২২ |
| ● অসমীয়া জীৱনত প্ৰভাৱ পেলোৱা ডাকৰ বচনৰ ইতিহাসৰ কিছু কথা | ৰাজীৱ কলিতা | ২৪, |
| ● দেউতা মাধৱ চন্দ্ৰ ৰাভা, মই আৰু ডাকুৱাপাৰা শাৰদীয় দুৰ্গাপূজা | ধনঞ্জয় ৰাভা | ২৬ |
| ● Durga Puja, its significance and the people of Boko | Nilamani Upadhyay | ২৮ |
| ● মাঁ দুৰ্গা ঃ পুৰাণ গ্ৰন্থ আধাৰিত তত্ব | ব্ৰজেন তালুকদাৰ | ৩১ |
| ● যা দেৱী সৰ্বভূতেষু | শ্ৰীৰাম ডেকা | ৩৫ |
| ● শ্ৰীশ্ৰীদুৰ্গা দেৱী মা আৰু আধ্যাত্মিকতা | বলেন দাস | ৩৭ |
| ● যোগ প্ৰাণায়াম আৰু খাদ্যাভ্যাস | গৌৰাঙ্গ ঠাকুৰীয়া | ৪১ |
| ● শাৰদীয় দুৰ্গোৎসৱ | কেশৱ চন্দ্ৰ ৰাভা | ৪৩ |
| ● সৰ্বত্ৰ ভগৱান-ঈশ্বৰ | গৌৰাঙ্গ চৌধুৰী | ৪৮ |
| ● পূজাৰ সম্পাদক হিচাপে মোৰ দুআষাৰ | মোহিত ৰাভা | ৪৯ |
| **কবিতা** | | |
| ● পবিত্ৰ প্ৰত্যাবৰ্তন | বসন্ত কুমাৰ দত্ত | ৫০ |
| ● তুমি আহিছা | সোণমণি ৰাভা | ৫১ |
| ● আহিনৰ শ্লাঘা | নয়ন ৰাভা | ৫১ |
| ● আলোকচিত্ৰ | | ৫২ |

# জনমানসত দেৱী দুৰ্গা

বিজয়া ডেকা
বকো

এই কথা সাৰ্বজনীন ভাৱে স্বীকৃত হৈ আহিছে যে পৃথিৱীত যেতিয়া অধৰ্মৰ বা অপশক্তিৰ প্ৰাৰ্দুভাৱ হয় আৰু সাধুজনৰ জীৱন বিপন্ন হৈ পৰে তেতিয়াই ভগৱানে তেওঁৰ একোটি অৱতাৰ ধাৰণ কৰে। অৰ্থাৎ প্ৰয়োজন বিশেষে সৰ্বনিয়ন্ত্ৰাই নানা ৰূপ ধাৰণ কৰে। এনে প্ৰসঙ্গতে দুৰ্গা দেৱীও অন্য এটা ৰূপ যিয়ে ভক্তসকলৰ মাজত এক বিশেষ স্থান অধিকাৰ কৰি আছে। আমি আই নামত এই ধৰণে পাওঁ-

দেৱী দশভূজা
ৰামে কৰে পূজা
ৰাৱণক বধিবৰ হেতু হে।

সৰগত দেৱতাসকলে বাস কৰে। দেৱতা আৰু অসুৰ সকলৰ মাজত সদায় বিবাদ লাগিয়ে থাকে। এসময়ত মহিষাসুৰ নামৰ এটা অসুৰৰ অত্যাচাৰত অতীষ্ঠ হৈ দেৱতাগণে বিষ্ণুৰ ওচৰ চাপে। বিষ্ণু ক্ৰুদ্ধ হৈ পৰে। সৃষ্টিৰ আন দুই মাহাত্মা ব্ৰহ্মা আৰু মহেশো ক্ৰোধিত হৈপৰে। এই তিনিও মহাশক্তিৰ আধাৰত এক মহাজ্যোতি নিৰ্গত হৈ এক দেৱীৰ আৰ্বিভাৱ হয়। দেৱীৰ আৰ্বিভাৱত দেৱতাসকল আনন্দত বিভোৰ হৈ পৰে। দেৱীক শক্তিশালী ৰূপ পৰিগ্ৰহ কৰাবলৈ দেৱতাসকলে নিজা নিজা অস্ত্ৰ-শস্ত্ৰ, আভূষণ আদি দান কৰে। যথা-

বিষ্ণুৱে দিলে ঢাল দেৱীক শিৱয়ে ত্ৰিশূল।
নিৰ্ঘাট কৰিব দেৱী অসুৰ নিমূল।।
বৰুণ দেৱতাই দেৱীক কৰে শঙ্খদান।
বায়ুৱে দান কৰে দেৱীক এক ধনুৰ্বান।।
হিমালয়ে সিংহ দিলে দেৱীৰ বাহন।
দৈত্যক নাশিব সিংহে কৰি আৰোহন।।
দশভূজে দুৰ্গা দেৱী দশদান পালা।
দেৱতাৰ দান দেৱী শিৰ পাতি লৈলা।।

(চক্ৰৱতী : ২০০৮ :৩২)

দেৱী দুৰ্গাৰ অনেক নাম পোৱা যায়। ভক্তসবৰ মাজত দেৱী দুৰ্গা নানাৰূপে পৰিচিত। নানাৰূপী দুৰ্গাই অনেক কৰ্ম সমাপন কৰে। যথা -

দুৰ্গা দেৱী দশভূজা দুৰ্গতি নাশিনী।
দক্ষ যজ্ঞ বিনাশিনী দক্ষৰ নন্দিনী।।
দুৰ্গতি নাশিনী দুৰ্গা দুখ বিনাশিনী।
দুৰ্গা দেৱী দেবাঙ্গনা দনুজ দলনী।।
আহিনতে তুমি মাতা গণেশ জননী।
কাতিতে কালিকা ৰূপা কৰালবদনী।।
আঘোনতে জগদ্ধাত্ৰী কবিন্দ্ৰ নাশিনী।
গৃহে গৃহে লক্ষীৰূপে জগত পালিনী।।
মাঘতে সৰস্বতী দেৱী জগত বন্দিনী।
ফাগুণতে ফল্গুপ্ৰিয়া কৃষ্ণ প্ৰণয়িণী।।
চ'ততে বাসন্তি আৰু অন্নদা ৰূপিনী।
ব'হাগতে চণ্ডী ৰূপে তুমি কাত্যায়নী।।
জেঠতে মঙ্গলচণ্ডী আহাৰতে ৰথে।
শাওঁনত ঝুলনতে ভাদত শূন্য ৰথে।।

(চক্ৰৱতী :২০০৮ : ১৯)

দুৰ্গাৰ আন এটা নাম হ'ল উমা। শৰৎ কালৰ স্নিগ্ধ ঋতুতে উমাৰ মাতৃ গৃহলৈ আগমন ঘটে। পৃথিৱীৰ বুকুত যেতিয়া শস্যই গজালি মেলিবলৈ ধৰে, তেতিয়া শস্যৰ অধিষ্ঠাত্ৰী দেৱী উমা বা দুৰ্গা

মাতৃ গৃহলৈ আহে। লগত আহে লক্ষ্মী, সৰস্বতী, কাৰ্তিক, গণেশ। আইনামত পোৱা যায় এইদৰে-

আজি ষষ্ঠী তিথিদেৱী সিংহে উঠি
আহি পালে ভগৱতী।
লক্ষ্মী সৰস্বতী কাৰ্তিক গণপতি
সঙ্গে আহি হৈলা স্থিতি।।
নমো নমো ভগৱতী জগত জননী।
অধিষ্ঠান হোৱা ঘটকত দেৱী কাত্যায়নী।।

মাতৃ গৃহত ভালকৈ ভোজন কৰিবলৈ বুলি উমা উত্ৰাৱল হৈ পৰে। কিন্তু সেই সময়তে দেৱগণ মহা সংকটত পৰে। মহিষাসুৰ নামৰ এক অসুৰৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি দেৱগণে উমাক স্তুতি কৰিবলৈ ধৰে। দেৱতাসৱৰ স্তুতিত সন্তুষ্ট হৈ দেৱী দুৰ্গাই মহিষাসুৰক বধ কৰিবলৈ সংহাৰ মূৰ্ত্তি ধাৰণ কৰি বিনাশ কৰোতে সপ্তমী অষ্টমী তিথি পাৰ হৈ যায়। নৱমীৰ দিনটোহে উমাদেৱী মাতৃ গৃহত থাকে। দশমীৰ দিনা পুৱাতে সুস্বাদু খাদ্য গ্ৰহণ কৰি দেৱীদুৰ্গা কৈলাশলৈ ঘূৰি গ'ল। দুৰ্গা দেৱীৰ মাহাত্ম্য অসীম। দেৱীৰ নাম কীৰ্ত্তন অথবা শ্ৰবণ কৰিলে মনোবাঞ্ছা পূৰণ হয় বুলি ভক্তসকলে বিশ্বাস কৰে। যেনে-

নমো মাতা মহামায়া ত্ৰিদিব জননী।
নমো মাতা চণ্ডী দেৱী জগত তাৰিণী।
বিপদত ৰক্ষা কৰা তুমি নিস্তাৰিণী।
চৰণৰ চত্ৰ ছাঁয়া দিয়া মা ভৱনী।।
যেইজনে ভক্তি ভাৱে দুৰ্গা নাম লয়।
ৰক্ষা কৰে ভগৱতী নাথাকে সংশয়।।
নমো নমো দুৰ্গাদেৱী কাল নিবাৰিণী।
মহাকাল মনোহৰা মহিষ মৰ্দ্দিনী।।
নমো হিমাচল কন্যা স্কন্দ-মাতৃ ভীমা।
অসীম মহিমা মাতৃ নাই তাৰ সীমা।

এনে বিশ্বাসেৰে ভক্তসকলে দুৰ্গা পূজা পালন কৰি আহিছে। অৱশ্যে সকলোৰে মাজত পূজাৰ মাহাত্ম্য সম্পৰ্কে ধাৰণা নাথাকে। বাহ্যিকতাৰ ওপৰত গুৰুত্বদি সকলোৱে ধুম ধামেৰে পূজা পালন কৰে। দুৰ্গা পূজাৰ বিভিন্ন দিশত গুৰুত্ব প্ৰদান কৰিলে এই কথা ক'ব পাৰি যে দেৱী নিজে আদ্যশক্তি হোৱাৰ পাছতো মহাপৰাক্ৰমী অসুৰ নিধনৰ বাবে অন্যান্য দেৱতা সকলে সহায়ৰ হাত আগবঢ়াইছিল। অৰ্থাৎ সহযোগৰ মাজেৰে দেৱীয়ে অসীম শক্তি লাভ কৰিছিল। কিন্তু বাস্তৱত দেখা যায় দেৱীৰ পূজা পাৰ্বন শেষ হোৱৰ পাছত ভক্ত সকলৰ মাজত বহু সময়ত মানুহে সহযোগিতা, সম্প্ৰীতি আদিৰ কথা পাহৰি যায়। সকলো ক্ষেত্ৰতে স্বাৰ্থপূৰণৰ বাবে কাম কৰিব খোজা বাবে কৃতকাৰ্যতাও লাভ কৰিব নোৱাৰে। পূজাৰ অন্যান্য তাৎপৰ্যৰ ভিতৰত এইটো হৈছে এক মহত্ব পূৰ্ণ দিশ। পূজাৰ দিনকেইটাত এই কথা যদি সকলো ভক্তই অনুধাৱন কৰিব পাৰে তেনেহ'লে সমাজৰ বহু কল্যাণ হ'ব।

সহায়ক গ্ৰন্থ ঃ

চক্ৰবৰ্তী, আভাৰাণী (২০০৮) : শ্ৰীশ্ৰী দুৰ্গাদেৱীৰ অষ্টোত্তৰ শতনাম, মাহাত্ম্য আৰু নাম, সবিতা প্ৰকাশ গুৱাহাটী- ৩৭

বৰা, লক্ষ্মীনন্দন (২০১৩) : গৰীয়সী, সাহিত্য প্ৰকাশ, গুৱাহাটী -৬

বৰা, লক্ষ্মীনন্দন (২০১৪) :গৰীয়সী, সাহিত্য প্ৰকাশ, গুৱাহাটী -৬